প্ৰেছ বিজ্ঞপ্তি
২২ মাৰ্চ, ২০১৭

**ভাৰতীয় মহিলা বেংক লিমিটেডৰ শাখাসমূহে ১ এপ্ৰিল, ২০১৭ৰ পৰা এছ বি আইৰ শাখা হিচাপে সঞ্চলন কৰিব**

ভাৰতীয় মহিলা বেংক লিমিটেডৰ সকলো শাখাই ১ এপ্ৰিল, ২০১৭ৰ পৰা ভাৰতীয় ষ্টেট বেংকৰ শাখা হিচাপে কাৰ্যপৰিচালনা কৰিব। ভাৰতীয় মহিলা বেংক লিমিটেডৰ জমাকাৰীকে ধৰি গ্ৰাহকসকলক ১ এপ্ৰিল, ২০১৭ৰ পৰা বলবত্ হোৱাকৈ ভাৰতীয় ষ্টেট বেংকৰ গ্ৰাহক হিচাপে গণ্য কৰা হ'ব।

ভাৰত চৰকাৰে ভাৰতীয় মহিলা বেংক লিমিটেডক অভিগ্ৰহণ আদেশ ২০১৭ জাৰি কৰিছিল। ভাৰত চৰকাৰে, ভাৰতীয় ষ্টেট বেংক আইন, ১৯৫৫ (১৯৫৫ৰ ২৩)ৰ ধাৰা ৩৫ৰ উপধাৰা (২)ৰ চৰ্তাৱলী অনুসাৰে ভাৰতীয় ষ্টেট বেংকৰ দ্বাৰা ভাৰতীয় মহিলা বেংক অভিগ্ৰহণৰ মঞ্জুৰী দি জাৰি কৰা দিনাংক ২০ মাৰ্চ, ২০১৭ আদেশটো ভাৰতৰ ৰাজপত্ৰৰ অসাধাৰণ অংশ-॥ ধাৰা ৩– উপধাৰা(i)ত প্ৰকাশিত হৈছিল।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি - ২০১৬-২০১৭/২৫৩৫**